# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-01-2026
**Time :** 1910 Hrs.

## *Assamese NSD Evening Bulletin*
## HEADLINES

১। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি ২০২৫ চনত দেশত ধানৰ উৎপাদন ১৫ কোটি টনৰো অধিক হৈছে বুলি প্ৰকাশ কৰিছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে চৰকাৰী কাৰ্যসূচীৰে আজিৰে পৰা ১০ জানুৱাৰীলৈ ফ্ৰান্স আৰু লাক্সেমবাৰ্গ ভ্ৰমণ কৰিব।

৩। চৰকাৰে তিনি বছৰ সম্পূৰ্ণ নোহোৱাকৈৰে ষ্টাৰ্ট আপসমূহে গৱেষণা, বিকাশ আৰু উদ্ভাৱন পুঁজিৰ সুবিধা লাভ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ডেমক্ৰেটসকলৰ লগতে দেশ আৰু বিদেশৰ ভালেমান সংবাদ প্ৰতিষ্ঠানে আমেৰিকাই ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতিক কৰায়ত্ব কৰাৰ বিষয়ত অসন্তুষ্টি প্ৰকাশ কৰিছে।

*আৰু*

৫। ২০৩৬ চনত অলিম্পিক গেমছ্‌ অনুষ্ঠিত কৰিবলৈ ভাৰতে শক্তিশালী দাবী আগবঢ়াব।

০০০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি ২০২৫ চনত দেশত ধানৰ উৎপাদন ১৫ কোটি টনৰো অধিক হৈছে বুলি প্ৰকাশ কৰিছে। ভাৰতীয় কৃষি গৱেষণা পৰিষদ আই চি এ আৰে বিকশাই তোলা ২৫ বিধ শস্যৰ ১৮৪ টা নতুন জাত মুকলি কৰি শ্ৰীচৌহানে কয় যে ধানৰ উৎপাদনৰ ক্ষেত্ৰত ভাৰতে চীনক পাছ্‌ পেলাইছে। তেওঁ লগতে কয় যে ভাৰত বিশ্বৰ ভিতৰতে ধান ৰপ্তানিৰ ক্ষেত্ৰত অগ্ৰণী দেশ হিচাপে পৰিগণিত হৈছে। শ্ৰীচৌহানে কয় যে যোৱা দহ বছৰত বীজৰ ৩২০০তকৈ অধিক নতুন জাত বিকশাই তোলা হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে বিভিন্ন আঁচনিসমূহৰ সুফল তিনিবছৰৰ ভিতৰত যাতে সমগ্ৰ দেশৰ কৃষকসকলে লাভ কৰে তাক নিশ্চিত কৰাৰ বাবে চৰকাৰে কাম কৰি আছে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে চৰকাৰী কাৰ্যসূচীৰে আজিৰে পৰা ১০ জানুৱাৰীলৈ ফ্ৰান্স আৰু লাক্সেমবাৰ্গ ভ্ৰমণ কৰিব। ড০ জয়শংকৰে পেৰিছত ফ্ৰান্সৰ নেতৃবৰ্গক সাক্ষাৎ কৰাৰ লগতে দেশখনৰ বিদেশ মন্ত্ৰী জ্যা ন'ৱেল বাৰটৰ সৈতে মতবিনিময় কৰিব। দুয়োগৰাকী নেতাই ভাৰত-ফ্ৰান্স কৌশলগত অংশীদাৰিত্বৰ অধীনত লাভ কৰা অগ্ৰগতিৰ লগতে বিভিন্ন গুৰুত্বপূৰ্ণ গোলকীয় বিষয় সন্দৰ্ভত আলোচনা কৰিব। বৈদেশিক পৰিক্ৰমা

মন্ত্ৰ্যালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে ড০ জয়শংকৰে ৩১ সংখ্যক ফৰাচী ৰাষ্ট্ৰদূতসকলৰ সন্মিলনত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। মন্ত্ৰীগৰাকীয়ে লাক্সেমবাৰ্গ ভ্ৰমণ কৰি দেশখনৰ উপপ্ৰধানমন্ত্ৰী, বিদেশ মন্ত্ৰী জেভিয়াৰ বেটেল আৰু জ্যেষ্ঠ নেতৃবৰ্গৰ সৈতে আলোচনাত মিলিত হ'ব। তেওঁ লাক্সেমবাৰ্গত থকা ভাৰতীয় লোকসকলৰ সৈতেও মতবিনিময় কৰিব।

০০০০০০০

চৰকাৰে তিনি বছৰ সম্পূৰ্ণ নোহোৱাকৈয়ে ষ্টাৰ্ট আপসমূহে গৱেষণা, বিকাশ আৰু উদ্ভাৱন পুঁজিৰ সুবিধা লাভ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। নতুন দিল্লীত বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা বিভাগ ডি এছ আই আৰৰ ৪১ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে এই কথা ঘোষণা কৰি কয় যে যিকোনো নতুন ষ্টাৰ্ট আপেও এই পুঁজিৰ সুবিধা লাভ কৰিব পাৰিব। ড০ সিঙে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে পৰমাণু খণ্ড আৰু মহাকাশ খণ্ড ব্যক্তিগত খণ্ডৰ বাবে মুকলি কৰাকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। শ্ৰীসিঙে কয় যে ভাৰতে কেৱল প্ৰধানমন্ত্ৰী আত্মনিৰ্ভৰ ভাৰতৰ সপোনক বাস্তৱায়িত কৰাই নহয় বৰঞ্চ আন আন দেশসমূহেও নিৰ্ভৰ কৰিব পৰা এখন দেশ হিচাপে আত্মপ্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে। মন্ত্ৰীগৰাকীয়ে ভাৰতৰ গৱেষণা আৰু উন্নয়ন তথা উদ্ভাৱন পৰিস্থিতি তন্ত্ৰক শক্তিশালী কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বিষয়ে প্ৰকাশ কৰে।

০০০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে তামিলনাডুৰ তিৰুচীত উপস্থিত হৈছে। তিৰুচী  বিমান বন্দৰত উপস্থিত হোৱাৰ পিছত গৃহমন্ত্ৰীগৰাকীক তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ডঃ এল মুৰুগানকে ধৰি দলটোৰ নেতাসকলে  আদৰণি জনায়। গৃহমন্ত্ৰীগৰাকীয়ে পুডুক্কটাইত এখন জনসভাত অংশগ্ৰহণ কৰিব। শ্ৰীশ্বাহে কাইলৈ শ্ৰীৰংগম মন্দিৰ দৰ্শন কৰাৰ লগতে পোংগাল উৎসৱত অংশগ্ৰহণ কৰিব।

০০০০০০০০০

নতুন শ্ৰম সংহিতাই পশ্চিমবংগৰ দাৰ্জিলিং, টেৰাই আৰু দুৱাৰ অঞ্চলৰ চাহ আৰু চিনকোনা শ্ৰমিকসকলৰ জীৱন সলনি কৰিব বুলি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মণ্ডাভিয়াই প্ৰকাশ কৰিছে। চাহ আৰু চিনকোনা শ্ৰমিকসংঘৰ নেতা আৰু অংশীদাৰসকলৰ সৈতে মতবিনিময় কৰি শ্ৰীমণ্ডাভিয়াই কয় যে এই ঐতিহাসিক অঞ্চলটোৰ শ্ৰমিকসকলে দশকজুৰি পুৰণি ঔপনিবেশিক শাসনকালৰ প্ৰথাৰ দ্বাৰা বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। পশ্চিমবংগ চৰকাৰক সমালোচনা কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰখনে চাহ আৰু চিনকোনাৰ শ্ৰমিকসকলক সন্মানজনক মজুৰি আৰু তেওঁলোকৰ পূৰ্বপুৰুষৰ ভূমিৰ পৰা বঞ্চিত ৰখাৰ লগতে প্ৰাথমিক সা-সুবিধাসমূহো প্ৰদান কৰা নাই। তেওঁ কয় যে নতুন বিধিয়ে কোনো শ্ৰমিকে যাতে ৰাষ্ট্ৰীয় ন্যূনতম মজুৰিতকৈ কম মজুৰি লাভ নকৰে তাক নিশ্চিত কৰিছে আৰু পশ্চিমবংগৰ চৰকাৰেও ইয়াক কাৰ্যকৰী কৰিবলৈ বাধ্য।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ডেমক্ৰেটসকলৰ লগতে দেশ আৰু বিদেশৰ ভালেমান সংবাদ প্ৰতিষ্ঠানে আমেৰিকাই সামৰিক অভিযান চলাই ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিক'লাছ মাদুৰক কৰায়ত্ব কৰাৰ বিষয়ত অসন্তুষ্টি প্ৰকাশ কৰিছে। কিছুমান সংবাদ প্ৰতিষ্ঠানে আমেৰিকাৰ এই কাৰ্যৰ বৈধতাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। আমেৰিকাৰ ৱাশ্বিংটন, ব'ষ্টন, লছ এঞ্জেলছ, আটলাণ্টা, ছিকাগো, মিয়ামী আদি বৃহৎ মহানগৰসমূহত ভালেমান লোক ৰাজপথলৈ ওলাই আহি এই

কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। প্ৰতিবাদকাৰীসকল টাইমছ স্কোৱেৰত  সমবেত হৈ হাতে হাতে বিভিন্ন প্লেকাৰ্ড লৈ প্ৰতিবাদ সাবস্ত্য কৰিছে। প্ৰতিবাদকাৰীসকলে আমেৰিকাৰ এই কাৰ্যক সাম্ৰাজ্যবাদৰ বিস্তাৰ বুলি অভিহিত কৰিছে। তেওঁলোকে কৈছে যে আমেৰিকাবাসীয়ে এনেধৰণৰ কাৰ্যক কেতিয়াও সমৰ্থন নকৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কংগ্ৰেছৰ প্ৰয়োজনীয় অনুমোদন নোহোৱাকৈ এই অভিযান চলোৱা হৈছিল বুলি প্ৰতিবাদকাৰীসকলে অভিযোগ কৰিছে।

০০০০০০০০০

ভেনিজুৱেলাৰ উচ্চতম ন্যায়ালয়ে আজি দেশ খনৰ উপ-প্ৰধানমন্ত্ৰী ডেলচি ৰোড্ৰিগজক কাৰ্যকৰী ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। আনহাতে বিৰোধী নেতা মাৰিয়া কৰিনা মাচাডোয়ে এগৰাকী বিৰোধী প্ৰাৰ্থীক কাৰ্যভাৰ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। উল্লেখযোগ্য যে কালি পুৱা আমেৰিকা যুক্তৰাষ্ট্ৰই দেশখনত বৃহৎ অভিযান চলাই ৰাষ্ট্ৰপতি নিক'লাছ মাদুৰক পত্নীসহ ধৰি লৈ যোৱাৰ পাছত  উচ্চতম ন্যায়ালয়ে আজি এই নিৰ্দেশ দিছে।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেনাবাহিনীয়ে উত্তৰ কোৰিয়াই পূব সাগৰলৈ লক্ষ্য কৰি আজি নিক্ষেপ কৰা ক্ষেপনাস্ত্ৰৰ সন্দৰ্ভত অঞ্চলটোৰ মিত্ৰদেশসমূহৰ সুৰক্ষাৰ বিষয়ত দেশখনে নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰিছে। দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লী জে মিয়ুঙে অহা সপ্তাহত চাৰিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে চীন ভ্ৰমণ কৰাৰ সময়ত দেশখনৰ ৰাষ্ট্ৰপতি ঝি জিনপিঙৰ সৈতে এখন সন্মিলনত ভাগ লোৱাৰ প্ৰস্তুতিৰ সময়ত আমেৰিকাৰ সেনাবাহিনীয়ে এই মন্তব্য কৰিছে। দক্ষিণ কোৰিয়াৰ সামৰিকবাহিনীৰ যুটীয়া মুৰববীয়ে কৈছে যে উত্তৰ কোৰিয়াৰ ৰাজধানীৰ সমীপৰ পৰা ভালেমান বেলিষ্টিক ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰা হৈছে। এই ক্ষেপনাস্ত্ৰসমূহ দক্ষিণ কোৰিয়াৰ পৰা প্ৰায় ৫৬০ মাইল দূৰত্বত নিক্ষেপ কৰা হৈছে। দক্ষিণ কোৰিয়া আৰু আমেৰিকাৰ কৰ্তৃপক্ষসমূহে ইয়াৰ সবিশেষ বিশ্লেষণ কৰি আছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিক'লাছ মাদুৰক মাদক দ্ৰব্যৰ অবৈধ সৰবৰাহ আদিকে ধৰি বিভিন্ন অভিযোগত কাৰাকাছত চলোৱা এটা সামৰিক অভিযানত কৰায়ত্ব কৰা বুলি ঘোষণা কৰাৰ পাছত উত্তৰ কোৰিয়াই এই ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰে। এই ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰাৰ পাছতে জাপানে দেশখনত জৰুৰী সৰ্তকতা জাৰি কৰে।

০০০০০০০০০

২০৩৬ চনত অলিম্পিক গেমছ অনুষ্ঠিত কৰিবলৈ ভাৰতে শক্তিশালী দাবী আগবঢ়াব। বাৰানসীত অনুষ্ঠিত ৭২ সংখ্যক ৰাষ্ট্ৰীয় ভলীবল প্ৰতিযোগিতা উদ্বোধন কৰি আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে কয়। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে দিয়া ভাষণত শ্ৰীমোদীয়ে কয় যে ২০১৪ চনৰ পাছত ক্ৰীড়াৰ বিভিন্ন ক্ষেত্ৰত ভাৰতীয় খেলুৱৈসকলৰ প্ৰদৰ্শন চকুত লগাকৈ উন্নত হৈছে। তেওঁ কয়, যে খেলপথাৰত যেতিয়া তৰুণ প্ৰজন্মই ত্ৰিৰংগ পতাকা উৰুৱাই, তেতিয়া সমগ্ৰ দেশে গৌৰৱ অনুভৱ কৰে। প্ৰত্যেকগৰাকী লোকৰে নিজৰ ভূমিকা, দায়িত্ব আছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিলেহে সাফল্য লাভ কৰিব পাৰি। দেশ এতিয়া সেই পথেৰে আগবাঢ়িছে বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

এই প্ৰতিযোগিতা বাৰানসীৰ ডং সম্পূৰ্ণানন্দ ক্ৰীড়া ষ্টেডিয়ামত আজিৰে পৰা ১১ জানুৱাৰীলৈকে অনুষ্ঠিত হ'ব। এইবাৰৰ প্ৰতিযোগিতাত পুৰুষ আৰু মহিলাৰ ৭৩টা দলৰ এহেজাৰৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিব।

০০০০০০০০০

সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰই য়েমনৰ শেহতীয়া পৰিস্থিতিৰ ওপৰত দেশখনে তীক্ষ্ণ দৃষ্টি ৰাখিছে বুলি প্ৰকাশ কৰিছে। ৰাষ্ট্ৰখনত অব্যাহত থকা সংঘাতপূৰ্ণ পৰিস্থিতি সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰি য়েমেনৰ জনসাধৰণক সংযম বৰ্তাই ৰাখিবলৈ আৰু দেশখনৰ নিৰাপত্তা আৰু স্থিৰতা ৰক্ষাক অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনাইছে। সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰই এটা বিবৃতি যোগে য়েমেনৰ জনসাধৰণক সংঘাতৰ বিপৰীতে আলোচনাক অগ্ৰাধিকাৰ দিবলৈ আৰু বুজাবুজি তথা সহমতৰ ভিত্তিত মতানৈক্য দূৰ কৰি স্থায়ী ৰাজনৈতিক সমাধানত উপনীত হবলৈ আহ্বান জনায়। বিবৃতিটোত কোৱা হৈছে যে এই প্ৰচেষ্টাসমূহত স্থিৰতা আৰু সমৃদ্ধিক মূল লক্ষ্য হিচাপে লৈ দেশখনৰ স্বাৰ্থ তথা জনসাধাৰণক অগ্ৰাধিকাৰ দিয়া এটা যুক্তিসংগত তথা দায়িত্বশীল দৃষ্টিভংগীক অগ্ৰাধিকাৰ দিয়া উচিত।

০০০০০০০০০

অপেক প্লাছ ৰাষ্ট্ৰগোষ্ঠীয়ে সংস্থাটোৰ মূল সদস্য দেশসমূহৰ মাজত ভূ-ৰাজনৈতিক অনিশ্চিয়তা বৃদ্ধি পোৱাৰ পাছতো নীতিগতভাৱে তেলৰ উৎপাদন স্থিৰ কৰি ৰাখিবলৈ সহমত প্ৰকাশ কৰিছে। সংস্থাটোৰ আঠখন অংশীদাৰ দেশ চৌদি আৰব্ব ৰাছিয়া, সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ, কাজাখাস্তান, কুৱেট, ইৰাক, আলজেৰিয়া আৰু অ'মানে সামূহিক ভাৱে বিশ্বৰ প্ৰায় আধা তেল উৎপাদন কৰে। তেওঁলোকে যোৱা বছৰৰ এপ্ৰিলৰ পৰা ডিচেম্বৰলৈ প্ৰতিদিনে প্ৰায় ২ দশমিক ৯ মিলিয়ন বেৰল তেল উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল যিটো সমগ্ৰ বিশ্বৰ চাহিদাৰ প্ৰায় তিনি শতাংশৰ সমান। অৱেশ্য যোৱা নৱেম্বৰ মাহত চলিত বছৰৰ জানুৱাৰী-ফেব্ৰুৱাৰী মাহৰ বাবে তেলৰ উৎপাদন অধিক বৃদ্ধি কৰাৰ সিদ্ধান্ত স্থগিত ৰখাৰ বাবে দেশকেইখন সহমত হৈছে।

০০০০০০০০০

**সমাপ্ত**